জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৭০/২০২০

# নাৰায়ণপুৰৰ বদলা পদ্ম আতা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** নাৰায়ণপুৰৰ বদলা পদ্ম আতা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামীয়ে সত্ৰৰ আধ্যাত্মিক, সাংস্কৃতিক দিশৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সত্ৰখন সুচাৰুৰূপে পৰিচালনা কৰাৰ দিশত যি অৰিহণা আগবঢ়াই গ'ল সেয়া সত্ৰবাসী ৰাইজৰ লগতে সমগ্ৰ নাৰায়ণপুৰবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত শ্ৰীকান্ত গোস্বামী ডাঙৰীয়াই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত আধ্যাত্মিক চেতনাবোধ জাগ্ৰত কৰাৰ উপৰি জনসাধাৰণৰ মাজত শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধ অক্ষুণ্ণ ৰখাৰ দিশত নিৰৱচ্ছিন্নভাৱে অৰিহণা যোগাইছিল। শ্ৰীশ্ৰীমাধৱদেৱৰ কলাক্ষেত্ৰলৈ সত্ৰৰ ভূমি আগবঢ়োৱাৰ ক্ষেত্ৰত তেখেতে যি বলিষ্ঠ পদক্ষেপ লৈছিল সেয়া সকলোৰে বাবে আদৰ্শ হৈ ৰ'ব। প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামীৰ বিয়োগ আমাৰ আধ্যাত্মিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ / প্ৰঃবঃ

১৬/০২/২০২০